**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time :** 7055 Hrs

***Assamese Morning Bulletin***
-----------------------

ৰাজ্য চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক দেশৰ ভিতৰতে অন্যতম বৃহৎ চিকিৎসালয়লৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ কালাপাহাৰত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু জি এম চি এইচ চৌহদত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয় পৰিদৰ্শন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৫০-৭৫ বছৰৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি নতুন ভৱনসমূহ নিৰ্মাণৰ উপৰি অত্যাধুনিক সা-সুবিধাৰ সংযোজনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক নতুন ৰূপ দিয়াৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে প্ৰস্তুত হোৱা নক্সাৰ আধাৰত চিকিৎসা মহাবিদ্যালয়খনত ৰোগীৰ বাবে ৩ হাজাৰ খন বিছনা সন্নিবিষ্ট কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

ooooo

আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পাহাৰীয়া জিলা কাৰ্বি আংলং ভ্ৰমণ কৰিব। এই দুদিনীয়া ভ্ৰমণ কালত মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্বি আংলং ভ্ৰমণসূচীত মুঠ ১০ হাজাৰ ৪৮২ দশমিক ৬-৫ লাখ টকাৰ প্ৰকল্পৰ উদ্বোধনৰ লগতে আধাৰশিলা স্থাপন কৰিব। পুৱাৰ ভাগত ডিফুৰ তাৰালাংছ'ত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে কাজিৰ ৰংহাপী অতিথিশালাত ২০২১ চনৰ কেন্দ্ৰীয় চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা কাৰ্বি আংলঙৰ প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ সৈতে আলোচনাত মিলিত হ'ব। দিনৰ ভাগত ডিফুত লোকনিৰ্মাণ বিভাগৰ এটা উদ্বোধন কৰাৰ লগতে প্ৰথমজন কাৰ্বি ৰজাৰ এটা প্ৰতিমূৰ্তিও উন্মোচন কৰিব। লগতে ডিফুৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকাৰ মাজত সামগ্ৰী বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ছোৱাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে পৰিষদৰ কেইবাজনো পাৰিষদে সংগ দিব। ডিফুত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন আৰু এটা সামূহিক ভৱনো উদ্বোধন কৰিব। সন্ধিয়াৰ ভাগলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াৰ সৈতে এক আলোচনাত মিলিত হ'ব। নিশা তাৰালাংছ'ত অনুষ্ঠিত হ'বলগীয়া এক সাংস্কৃতিক অনুষ্ঠানতো মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰাৰ কথা।

ooooo

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ

কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ’বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে পৰৱৰ্তী ১৫ দিনৰ ভিতৰত সমগ্ৰ দেশতে টোলগে’ট ব্যৱস্থাৰ পৰিৱৰ্তে নতুন জি এন এছ এছ ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। গ্লোবেল নেভিগেশ্বন ছেটেলাইট ছিষ্টেমৰ অধীনত যান-বাহনসমূহত এটা যতন সংযোগ কৰিব লাগিব আৰু এই যতনৰ পৰাই উপগ্ৰহৰ জৰিয়তে সংশ্লিষ্ট যান-বাহনৰ অৱস্থিতি ঠাৱৰ কৰা হ’ব। এই নতুন ব্যৱস্থাত কোনো এখন যান-বাহন টোলযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে ২০ কিলোমিটাৰ অতিক্ৰম কৰাৰ পাছতেই টোল ভৰিব লাগিব। এই নতুন ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত টোলগে’টত যান-বাহনৰ সময় অপচয় কিছু হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০

লখিমপুৰৰ তেলাহী কমলাবৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ সৌজন্যত আয়োজন কৰা সাহিত্য চৰ্চা অনুষ্ঠানত সাহিত্য সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন বিষয়ত আলোচনা অনুষ্ঠিত হয়। বিহু সংস্কৃতিৰ গৱেষক ইছমাইল হুছেইনে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিহুৰ ঐতিহ্য, সংস্কৃতি, পৰম্পৰা আদি বিষয়ত বক্তব্য আগবঢ়ায়। অনাতাঁৰ নাটক আৰু গ্ৰাম্য সমাজ জীৱন বিষয়ত নাট্যকাৰ ভৱ পূজাৰীয়ে বক্তৃতা দিয়ে। এই অনুষ্ঠানতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেহলি কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ডেলহি কেপিটলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অভিষেক পোৰেলৰ ৪৯ আৰু কে এল ৰাহুলৰ ৩৮ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থানেও নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দুয়োটা দলৰ স্ক’ৰ সমান হোৱাত ছুপাৰ অভাৰৰ সহায় ল’বলগীয়া হয়। ছুপাৰ অভাৰত ৰাজস্থান ৰয়েলছে ১১ ৰান কৰে। ডেলহি কেপিটেলছে দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

সমাপ্ত